# হাজোৰ সুৰেন দাস মহাবিদ্যালয়ত মত বিনিময় অনুষ্ঠান

**প্ৰতিদিন সেৱা, হাজো, ৭ আগষ্ট ঃ** ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অন্তৰ্গত মৌলানা আবুল কালাম আজাদ ইনষ্টিটিউট ষ্টাডিজৰ উদ্যোগত আজি হাজোৰ সুৰেন দাস মহাবিদ্যালয়ত 'ভাৰত বুৰঞ্জী আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰাম' শীৰ্ষক এখন মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ শ্ৰীশ্ৰীমাধৱদেৱ ৰংগমঞ্চত অনুষ্ঠিত এই অনুষ্ঠানত অঞ্চলটোৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে দুই শতাধিক লোক উপস্থিত থাকে। সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যাপক ড° আলী আকবৰ হুছেইনে আঁত ধৰা অনুষ্ঠানত সমল ব্যক্তি হিচাপে শৈক্ষিক পৰামৰ্শদাতা ড° নৱজ্যোতি দাস, গৱেষক ড° ফাৰহিনা ৰহমান, গৱেষক ক্ৰমে ইলিয়ট কাৰ্ডত, অমিত বৰ্মন আৰু এল দীপিকা সিন্‌হা, অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মা উপস্থিত থাকি জালিয়ানাৱালাবগৰ হত্যাকাণ্ডৰ এশ বছৰ, আজাদ হিন্দ ফৌজৰ ৭৫ বছৰীয়া জয়ন্তী আৰু মহাত্মা গান্ধীৰ ডেৰশ বছৰীয়া জয়ন্তীৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে।